# ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়

# আলোচনী


## ৰূপালী জয়ন্তী বৰ্ষ

১৯৮৯-৯০ চন

MAY THE DIVINE LIGHT ENLIGHTEN US
T.H.B.COLLEGE
JAMUGURIHAT

সম্পাদক
শ্ৰীৰাজু বৰা।

প্ৰকাশক
ঃ ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয় ছাত্ৰ সন্থা ঃ



কৰ্মব্যস্ত মূহুৰ্ত্তত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত সুৰেন দাসদেৱ ।

# —চাহ জনজাতি সমাজত ঝুমুৰ—

শ্ৰীবিজয় তাচা
(ত্ৰৈবাৰ্ষিক স্নাতক ) প্ৰথম বৰ্ষ

অসম ভূমি চাহৰ বাবে বিখ্যাত। এই চাহ পাতৰ লগত জড়িত হৈ আছে চাহ জনজাতি সমাজৰ কলা–সংস্কৃতি। এই কলা-সংস্কৃতিৰ ভিতৰত ঝুমুৰ চাহ জনজাতি সমাজৰ অতি মৰমৰ। অসমীয়া সমাজত যেনেদৰে বিহুৰ প্ৰভাৱ অতুলনীয়, তেনেকৈ চাহ জন-জাতি সমাজত ঝুমুৰৰ প্ৰভাৱ অতুলনীয়। কিন্তু এই ঝুমুৰ চাহ জন সমাজত কেনেকৈ আহিল সেই বিষয়ে আলোচনা নকৰিলে ই আধৰুৱা হৈ ৰ'ব।

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে অসম বৃটিছৰ হাতলৈ যায়। তেওঁলোকে অসমত শাসন প্ৰৱৰ্ত্তন কৰাৰ পাছত অসম এখন যে চাহ খেতিৰ উত্তম ঠাই সেই বিষয়ে জানিছিল আৰু অসমত চাহ গছ ৰোপন কৰিছিল। কিন্তু আমাৰ অসমৰ থলুৱা শ্ৰমিক সকল কাম কৰিবলৈ অপাৰগ হোৱাৰ বাবে বৃটিছসকলে অসমৰ বাহিৰৰ পৰা চাহ শ্ৰমিক আনিবলগীয়া হ'ল। বিহাৰ, বঙ্গ, উৰিষ্যা, মধ্যপ্ৰদেশ, গুজৰাট, আদি বিভিন্ন ৰাজ্যৰ পৰা শ্ৰমিক সকলক আনিবলগীয়া হ'ল। এই শ্ৰমিক সকলে আহোঁতে স্ব ভূমিৰ স্বকীয়তা পূৰ্ণ আপোন সংস্কৃতি ঝুমুৰো লগতে আনিছিল।

ঝুমুৰ চাহ জন জাতি সমাজৰ বাপতি-সাহোন, বুকুৰ কুটুম। অসমীয়া সমাজত বিহুগীতে যেনেকৈ মন মতলীয়া কৰে, চাহ জন জাতি সকলৰ মনত ঝুমুৰেও অতুলনীয় ঝংকাৰ তোলে। বাগান বস্তিত সিচঁৰিত হৈ থকা হাজাৰ-হাজাৰ চাহ জন-জাতি লোকৰ অন্তৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ঝুমুৰে আনন্দত পুলকিত কৰি তোলে।

অসমীয়া সমাজ আৰু চাহ জন জাতি সমাজৰ মাজত সমন্বয় স্থাপনত ই অৰিহণা যোগাই আহিছে। সেই কাৰণে ঝুমুৰত গোৱা আমি শুনিবলৈ পাওঁ

'হামৰা লাগি আচাম বাসী
নানা জাতি-উপজাতি।

চবাই মিলে গঢ়িব আচাম
আচাম হামাৰ প্ৰাণেৰ
প্ৰাণ।'

জন-সংস্কৃতিত পৰিণত হোৱা এই ঝুমুৰ এদিন বঙ্গদেশৰ জমিদাৰ শ্ৰেণীৰ মাজত পৰিবেশিত হৈছিল। সম্ভ্ৰান্ত লোকৰ জীয়াৰী বোৱাৰী হঁতে প্ৰাণ-ঢালি উপভোগ কৰিছিল। এই ঝুমুৰ গীত আৰু নাচে সকলোকে মোহিত কৰিছিল। কিন্তু আজি কালিৰ দৰে তাত বেছি মানুহে যোগদান নকৰিছিল। কেইজনীমান নাচনী আৰু মাদল ঢোল, তাল, বাঁহী আদি বজোৱা কেই জনমান মানুহে হে ঝুমুৰ থলীত গীত-মাত পৰিবেশন কৰিছিল। আগৰ ঝুমুৰ বোৰ বৰ দীঘলীয়া আছিল। এই ঝুমুৰ গীত তেওঁলোকে আৰম্ভ কৰিছিল এইবুলি—

'আখড়া বন্দনা কৰি সৰস্বতীৰ
নাম ধৰি,
আখড়া বন্দনা বেদতাৰি
মদনে ঝুমুৰ লাগল ভাৰি'

এই ঝুমুৰ গীতক কেইবা প্ৰকাৰে ভাগ কৰা হৈছে : যেনে—খেমটা, দাড়শালীয়া, আধাৰাতিয়া, ভেন সিৰিয়া, বৈঠক খানা ইত্যাদি সময় অনুসৰি গীতবোৰ গোৱা হয়। প্ৰেম-প্ৰীতি, সুখ-দুখ, হা-হুমুনীয়া, সাংসাৰিক জ্বালা-যন্ত্ৰণা তথা সমাজ-ব্যৱস্থাৰ বিভিন্ন প্ৰতিচ্ছবি ঝুমুৰত পোৱা যায়। ঝুমুৰ গীত গোৱা হয় সাধাৰণতে 'কৰম পৰব'ত। বৰ্ত্তমান এই গীতে এনেকৈ সাৰ্বজনীনতা লাভ কৰিছে যে কৰম পৰবৰ বাহিৰেও যি কোনো সময়ত এইবোৰ গোৱা হয়। উল্লেখিত কৰম পৰব চাহ জন জাতি সমাজৰ এক লেখত লবলগীয়া পৰব। ই বাগান বস্তিত সিঁচৰিত হৈ থকা চাহ জন জাতি সমাজক জগাই তোলে, যি দৰে অসমীয়া সমাজৰ মন-প্ৰাণ জগাই তোলে বিহুৱে। কয়া, কাৰুৱা কালন্দি, চাউতাল, পৰজা, বাউৰী, ভূমিজ, মাহালী আদি বহুত জাতি-উপজাতি চাহ জন জাতি সমাজখনত আছে। অসম চৰকাৰে তেওঁলোকক অন্যান্য পিছ পৰা শ্ৰেণী (Other back ward classes) হিচাপে গণ্য কৰিছে। যি জাতি যি ধৰ্মই নহওক লাগে সকলো মিলি এক চাহ জন জাতি হিচাপে সমাজত বান্ধ খাই আছে এডাল সূঁতাৰে গুঠা ফুলৰ মালাৰ দৰে। গতিকে চাহ পাত অসমত যিমান দিন থাকিব ঝুমুৰো চাহ জন জাতি সমাজত প্ৰভাৱ পেলাই থাকিব তিমান দিনলৈ।

বৰ্ত্তমান ঝুমুৰ অসমীয়া সংস্কৃতিৰ পথাৰত এক অপৰিহাৰ্য অঙ্গৰূপে প্ৰতিভাত হৈছে। এই ঝুমুৰে অসমৰ সংস্কৃতিৰ লগত বৈষম্যৰ প্ৰাচীৰ ভাঙি ঐক্য আৰু সম্প্ৰতিৰে আগুৱাই যাব বুলি আমাৰ ধাৰণা। আজিৰ অসমত বাস কৰা প্ৰত্যেকে ঝুমুৰৰ বিষয়ে জানে বা তাৰ তাৎপৰ্য্য বুজি পোৱাটো এক শুভলক্ষণ বুলি মই ভাবো।

★★

# অনুভৱ

শ্ৰীপৰাশজ্যোতি শইকীয়া
(ত্ৰৈবাৰ্ষিক স্নাতক) ৩য় বৰ্ষ

ছন্দহীন তেজৰ তুম্‌বলি বন্ধা
মোৰ ভগ্ন হৃদয় ভেদী
দেহৰ সমস্ত তন্ত্ৰিয়েদী
সংগোপনে বৈ যায়
কাংখিত হিৰন্ময় দিনৰ জ্যোতি

কবি মই আলোক সন্ধানী

সংঘাতৰ নিলাজ আঁচোৰ সহি
আঙুলিৰ মূৰতে গণি যাওঁ
নিঃকিন জীৱনৰ ফলশ্ৰুতি
যাতনাৰ মাজতো জাগি
নখেৰে আজুৰি খাওঁ তেজধোৱা মাটি

কবি মই প্ৰেমৰ পূজাৰী

দুখৰ ঋতুত ফুলে মোৰ কবিতা
ঘৰ্ষণত তৈয়াৰী সাঁজব দৰেই
য'ত কঠোৰ বাস্তৱতা
মাটি আৰু মানুহৰ স'তে
মোৰ নিবিড় আত্মীয়তা

কবি মই সমূখ সংগ্ৰামী

কবিতা মোৰ পৰিবৰ্তনৰ অমোঘ ঘোষনা
শুভেচ্ছাৰত সময়ৰ নিচান উৰাই
নিঃসৃত পথেৰে তুলি লওঁ
দুখৰ কৰাল বন্ধা খোলা তৰোৱাল
ধাৰ যাৰ অক্লান্ত যোদ্ধা

# এমুঠি কবিতা

শ্ৰীতৃষ্ণা ভাগৱতী
( ত্ৰৈবাৰ্ষিক স্নাতক ) ৩য় বৰ্ষ

(১) নিশাৰ পখীৰ মাতত সাৰ পালে
মোৰ কবিতাৰ করুণ শব্দই
তোমাকলৈ
পুৰনা খেলটোকে খেলে.......
ৰজাই আদেশ দিছে
মোৰ আবেগৰ আকাশত
জোন জলে, তৰাফুটে
ক্ষণে ক্ষণে !

(২) ৰু-ৰুৱাই, গুম-গুমাই
উঠিছে......
ভাঙি-পিটি গঢ়ি লোৱা
শব্দ.......
সৃষ্টিৰ..... .......উষ্ণ
প্ৰতিশ্ৰুতি !

(৩) নিজৰাৰ উদবাউল বুকুত
নাচে বনফুলৰ ছা !
মোৰ হৃদয়ৰ
নিভৃত কোনত
কান্দে গতিহীন ভাষাৰ
নিজৰা !!